নির্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২০৪ শুকুৰবাৰ ২৫ জেঠ ১৯৪৫ শক ৯ জুন ২০২৩ চন ASOMIYA KHABAR JORHAT FRIDA



## ডি এইছ এছ কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ শীৰ্ষক আলোচনা-চক্ৰ সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ জুন ঃ অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত কালি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° বিৰাজ দত্তই আঁত ধৰা আলোচনা-চক্ৰত সভাপতিত্ব কৰে শিক্ষক গোটৰ সভাপতি ড° জ্যোতিপ্ৰসাদ ফুকনে। আলোচনা-চক্ৰ উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ প্ৰাসংগিকতা আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰাৰ লগতে চলিত বৰ্ষৰ পৰা আৰম্ভ হ'ব এই নীতি। ইয়াৰে শিক্ষা ব্যৱস্থাৰ এক ব্যাপক পৰিৱৰ্তন সাধন কৰিব বুলি মত প্ৰকাশ কৰে। আমি প্ৰাৰম্ভিক অৱস্থাত এই শিক্ষানীতি প্ৰৱৰ্তন কৰিবলৈ যাওঁতে কিছু কিছু ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'লেও অনাগত দিনসমূহত এই সকলোবিলাক প্ৰত্যাহ্বানক অতিক্ৰম কৰি দেশৰ শিক্ষা জগতলৈ বৰঙণি যোগাব পৰাকৈ মানৱ সম্পদ গঢ়ি তুলিবলৈ সক্ষম হ'ম। অধ্যক্ষগৰাকীয়ে লগতে শিক্ষক গোটৰ এনে প্ৰচেষ্টাক যথেষ্ট সময়োপযোগী বুলি মত প্ৰকাশ কৰে। আলোচনা-চক্ৰখনত তিনিগৰাকী সমল ব্যক্তিয়ে বক্তব্য ৰখাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ বিস্তাৰিত ৰূপত আলোকপাত কৰে। আলোচনা-চক্ৰৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° শৰৎ চন্দ্ৰ কাকতি। মূল ভাষণ প্ৰসংগত ড° কাকতিয়ে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন দিশ বিস্তাৰিত ৰূপত ব্যক্ত কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে আলোকপাত কৰে। দ্বিতীয়জন সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বৰুণ দে'য়ে চাৰি বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম ব্যৱস্থাৰ ওপৰত এক বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তেওঁ এই চাৰি বছৰীয়া পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়োৱা 'এন্ট্ৰি' আৰু 'এগ্‌জিট', 'একাডেমিক বেংক অৱ ক্ৰেডিট' আদি ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। আন এজন সমল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে নতুন শিক্ষা বৰ্ষৰ পৰা কাৰ্যকৰী হ'ব লগা এই শিক্ষা ব্যৱস্থাৰ সম্ভাব্য প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। ৰাজ্যিক পৰ্যায়ৰ এই আলোচনা-চক্ৰখনত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীৰ উপৰি কানৈ মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়ৰ আন কেইবাখনো মহাবিদ্যালয়ৰ শতাধিক অধ্যাপক-অধ্যাপিকাই অংশ গ্ৰহণ কৰে। শলাগ জ্ঞাপন কৰে অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° বিৰাজ দত্তই। আলোচনা-চক্ৰখন সফল ৰূপায়ণত সহযোগিতা কৰাসকলক উদ্যোক্তাই ধন্যবাদ জনাইছে।